# জি-৪ দেশ সমূহৰ (ব্ৰাজিল,জাৰ্মানি,ভাৰত আৰু জাপান)মন্ত্ৰী সমুদায়ৰ ৰাষ্ট্ৰসংঘৰ সাধাৰন সভাৰ ৬৮ তম সন্মিলনৰ বৈঠকৰ শেষত দিয়া যুটিয়া প্ৰেছ বিজ্ঞপ্তী

চেপ্তেম্বৰ ২৬,২০১৩

১. সুৰক্ষা পৰিষদৰ পুনৰগঠন প্ৰসংগত মতবিনিময় কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ সাধাৰন সভাৰ ৬৮ তম সন্মিলনৰ উদ্ধোধনৰ পাছত ২৬ চেপ্তেম্বৰ তাৰিখে ব্ৰাজিলৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী,জাৰ্মানীৰ বৈদেশিক পৰিক্ৰমাৰ যুক্তৰাষ্ট্ৰীয় মন্ত্ৰী,ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু জাপানৰ বিদেশ পৰিক্ৰমা মন্ত্ৰীৰ এক বৈঠক অনুষ্ঠিত হয় ।

২. মন্ত্ৰীসকলে সন্মতি প্ৰকাশ কৰে যে ৰাষ্ট্ৰসংঘৰ সৃস্তিৰ ৭০ বছৰৰ অন্তত ইয়াৰ পুনৰগঠনৰ বিষয়টো দীৰ্ঘদিনীয়া প্ৰসংগ হৈ ৰৈছে । বৰ্তমানৰ প্ৰত্যাহ্বানকে সামৰি আন্তৰ্জাতিক প্ৰত্যাহ্বান সমুহৰ সৈতে যুজিঁবলৈ সুৰক্ষা পৰিষদৰ জটীলতা সম্পৰ্কে তেওঁলোকে ঐক্যমত প্ৰকাশ কৰে ।একবিংশ শতাব্দীৰ(21st century) ভৌগলিক-ৰাজনৈতিক বাস্তৱিকতা সম্পৰ্কে অধিক শুদ্ধ ভাৱে প্ৰতিফলিত কৰিবলৈ হলে যে ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ পুনৰগঠনৰ প্ৰজোনিয়তা বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয় তেওঁলোকে বৈঠকত এই সন্মৰ্ভত গুৰুত্ব আৰোপ কৰে ।সুৰক্ষা পৰিষদত সম্প্ৰসাৰিত ভাৱে প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰা, স্বচ্ছ আৰু কাৰ্য্যক্ষম কৰাৰ দ্বাৰা আৰু আইনসন্মতা আৰু ইয়াৰ সিদ্ধান্ত সমুহৰ ৰূপায়ন কৰাৰ ক্ষেত্ৰত ইয়াৰ কাৰ্য্যক্ষমতা অধিক বৃদ্ধি কৰিব পৰা যায় বুলি মন্ত্ৰীসকলে একমত হয় ।মন্ত্ৰীসকলে স্মৰন কৰে যে প্ৰায় দহ বছৰ পূৰ্বে অনুষ্ঠিত ২০০5 চনৰ বিশ্ব সন্মিলনৰ ফলাফলৰ তথ্য সম্বলিত কাকতত সুৰক্ষা পৰিষদৰ সোনকালে পুনৰগঠন কৰাৰ উদ্দেশ্যে আন্তৰ্জাতিক নেতৃবৃন্দ তেওঁলোকৰ

নিজৰ ভিতৰতে প্ৰতিশ্ৰুতিবদ্ধ হৈছিল । ২০১৫ ৰ ভিতৰত যাতে বৰ্তমানৰ চুক্তিয়ে এটা কংক্ৰিট্ ফলাফলত উপনিত হয় সেই বিষয়ত মন্ত্ৰীসকলে ইয়াক কাৰ্য্যত প্ৰতিফলিত কৰাৰ প্ৰচেষ্টাক ক্ষীপ্ৰতৰ কৰি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে ।

৩. পূৰ্ব্বৰ জি-৪ যুটীয়া বক্তব্যৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীসকলে তেওঁলোকৰ সুৰক্ষা পৰিষদৰ পুনৰগঠন প্ৰসংগটোত সাৰ্ব্বজনীন পৰিকল্পনাক বিষয়টো পুনৰদোহাৰে । আন্তৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষা আৰু সংগঠনৰ অন্যান্য লক্ষ্য বাহাল ৰাখিবলৈ ৰাষ্ট্ৰসমুহে আগবঢ়োৱা অৱদানৰ বিষয়টো বিবেচনা কৰাৰ লগতে একেধৰনে আজিৰ ভৌগলিক-ৰাজনৈতিক সত্যতাক ভালকৈ প্ৰতিফলিত কৰিবলৈ হলে পৰিষদৰ দুয়োটা শ্ৰেণীতে উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ প্ৰতিনিধিৰ সংখ্যা বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়েও তেওঁলোকে বিবেচনা কৰে । জি-৪ দেশসমুহে ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ নতুন স্থায়ি সদস্যৰ প্ৰাৰ্থী হিচাপে তেওঁলোকৰ প্ৰতিশ্ৰুতি সমুহৰ লগতে এখন দেশে আনখন দেশৰ প্ৰাৰ্থীত্বক সমৰ্থন কৰাৰ বিষয়টোও পুনৰদোহাৰে ।এখন বৃহৎ পৰিষদৰ ভিতৰত উন্নয়নশীল দেশসমুহৰ গুৰুত্বক, বিশেষকৈ আফ্ৰিকাৰ স্থায়ি আৰু অস্থায়ি সদস্যতা সন্দৰ্ভত তেওঁলোকৰ মতামতকো পুনৰ নিশ্চিত কৰে ।এই প্ৰসংগত, মন্ত্ৰীসকলে সুৰক্ষা পৰিষদৰ পুনৰগঠন সম্পৰ্কে আফ্ৰিকাৰ দেশ সমুহৰ সৈতে আলোচনা আৰু সম্পৰ্ক বৃদ্ধি কৰাটো প্ৰয়োজনীয়তাক অধিক গুৰুত্ব দিয়ে আৰু এই বিষয়ত জুন মাহত ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ পুনৰগঠন সন্দৰ্ভত জাপান চৰকাৰে অনুষ্ঠিত কৰা প্ৰথম খন জাপান-আফ্ৰিকা শীৰ্ষ সন্মিলনৰ প্ৰাধন্যতাৰ বাবে প্ৰশংসা কৰে । অতিৰিক্ত ভাৱে মন্ত্ৰীসকলে কেৰিকম(CARICOM) দেশ আৰু চৰকাৰৰ প্ৰমুখসকলৰ ২০১৩ চনৰ ফেব্ৰুৱাৰী মাহত আহ্বান কৰা “সুৰক্ষা পৰিষদৰ পুনৰগঠন দীৰ্ঘস্থায়ি কৰা বিষয়টো অতি জৰুৰীকালিন” বুলি কৰা নিৰ্দেশক আৰু আন্তৰ্ৱতী চৰকাৰসমুহৰ মাজত আলোচনা প্ৰক্ৰিয়াক পুনৰ শক্তিশালি কৰি তোলাৰ উদ্দেশ্যে কেৰিকমে গ্ৰহন কৰা প্ৰচেষ্টাক অতি প্ৰশংসাৰে গ্ৰহন কৰে ।

৪. সুৰক্ষা পৰিষদৰ পুনৰগঠনৰ বিষয়টোত অসামৰিক সমাজ,প্ৰচাৰ মাধ্যম আৰু শিক্ষা জগতৰ বিশেষজ্ঞ সমুহক সামৰি বৃহত্বৰ ভাৱে জড়িত হোৱাৰ প্ৰয়োজনিয়তাক মন্ত্ৰীসকলে স্বীকাৰ কৰে আৰু এই প্ৰসংগত তেওঁলোকে চলিত বৰ্ষৰ এপ্ৰিল মাহত

ৰাষ্ট্ৰসংঘৰ পুনৰগঠন বিষয়টোৰ গুৰুত্ব আৰু অপৰিহাৰ্য্যতা শীৰ্ষক বিতৰ্কক অধিক বিস্তাৰ কৰাৰ লক্ষ্যৰে ব্ৰাজিলিয়ান সকলে সন্মিলনৰ আয়োজন কৰি গ্ৰহন কৰা প্ৰচেষ্টাক আদৰনি জনাই ।

৫. সুৰক্ষা পৰিষদৰ পুনৰগঠনৰ সন্দৰ্ভত নৱম লানি আন্তৰ্ৱৰ্তী চৰকাৰী আলোচনাৰ সিদ্ধান্ত বিষয়েও মন্ত্ৰীসকলে আলোচনা কৰে ।আলোচনা কালত মন্ত্ৰীসকলে, আন্তৰ্ৱৰ্তী চৰকাৰী আলোচনা কালত অধক্ষ্যতা কৰা মহামান্য ৰাষ্ট্ৰদূত জাহিৰ টানিনে গ্ৰহন কৰা গুৰুত্বপূৰ্ণ ভূমীকাক বিশেষকৈ ২৫ জুলাই ২০১২ তাৰিখে তেওঁ সাধাৰন সভাৰ সভাপতি লৈ প্ৰেৰণ কৰা পত্ৰ আৰু তাত আগবঢ়োৱা প্ৰস্তাৱ সমুহৰ বাবে সকলোৱে দৃঢ়তা প্ৰকাশ কৰে ।এই প্ৰসংগত মন্ত্ৰীসকলে পুনৰ দোহাৰে যে সুৰক্ষা পৰিষদৰ স্থায়ি আৰু অস্থায়ি দুয়োটা শ্ৰেণীৰ সদস্যতাৰ বৃদ্ধিৰ বিষয়টোত সদস্যৰাষ্ট্ৰ সমুহৰ উৎসাহ পূৰ্ণ আৰু সমৰ্থন থকাৰ লগতে এই বিষয়টো সদস্য ৰাষ্ট্ৰসমুহৰ মাজত আলোচনাৰ এটা মুখ্য বিষয় হোৱা উচিত ।মন্ত্ৰীসকলে অধক্ষ্যৰ প্ৰস্তাৱনাৰ সৈতে সামঞ্জস্য ৰাখিবলৈ পৰৱৰ্তী আলোচনাৰ আধাৰ হিচাপে সংক্ষিপ্ত কাৰ্য্যবাহি তথ্যৰ খচৰা এখন প্ৰস্তুত কৰাৰ বাবে আহ্বান কৰে ।

৬. সাধাৰন সভাত ৬৮ লানি সন্মিলনৰ অনানুষ্ঠানিক পূৰ্ণাংগ বৈঠকত আন্তৰ্ৱৰ্তী চৰকাৰী আলোচনাৰ প্ৰক্ৰিয়াক বাহাল ৰখাৰ সিদ্ধান্তক, সমাধা হোৱা প্ৰগতি আৰু অধক্ষ্যৰ প্ৰস্তাৱনাক মন্ত্ৰীসকলে আদৰনি জনাই ।ৰাষ্ট্ৰসংঘৰ ৬৮ লানি সাধাৰন সভাত কংক্ৰিট্ ভাৱে প্ৰগতি লাভ কৰাটো প্ৰয়োজন বুলি মন্ত্ৰীসকলে গুৰুত্ব আৰোপ কৰে । এই প্ৰসংগত তেওঁলোকে অতি নিকটবৰ্তী হৈ সহযোগিতাৰে আৰু আনখন সদস্য দেশৰ আৰু সদস্য দেশৰ গ্ৰুপৰ সৈতে এৰাধৰাৰ মাজেৰে কাম কৰাৰ সদিচ্ছাৰে সদায় কাম কৰিবলৈ বিশেষকৈ আফ্ৰিকাৰ সৈতে এক উদাৰতাৰ ভিত্তিত আলোচনা মাজেৰা কাম কৰি আগবঢ়াৰৰ প্ৰতিশ্ৰুতিক প্ৰকাশ কৰে ।

৭. মন্ত্ৰীসকলে ৬৭তম সাধাৰন সভাৰ সভাপতি মহামান্য শ্ৰী ভুক জেৰেমিক (VUK JEREMIC) আৰু আন্তৰ্ৱৰ্তী চৰকাৰী আলোচনাৰ অধক্ষ্য মহামান্য ৰাষ্ট্ৰদূত জাহিৰ টেনিনৰ প্ৰচেষ্টাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে । তেওঁলোকে সুৰক্ষা পৰিষদৰ জৰুৰী কালিন ভাৱে প্ৰয়োজন পুনৰগঠনৰ বিষয়টোক কাৰ্য্যত প্ৰতিফলিত কৰাৰ উদ্দেশ্যৰে ৬৮তম সাধাৰন সভাৰ সভাপতি মহামান্য শ্ৰী জ`ন আশে(John Ashe)আৰু

আন্তৰ্বৰ্তী চৰকাৰী আলোচনাৰ অধক্ষ্যৰ সৈতে নিকটবৰ্তী হৈ কাম কৰাৰ বাবে ইচ্ছুক।

লুইজ এলবাৰ্ট`ফিকুইৰেডো মেছাডো

ব্ৰাজিলৰ বহি:পৰিক্ৰমা মন্ত্ৰী

গুইডো ৰেচটাৰৱেল্লে

জাৰ্মানীৰ বৈদেশিক পৰিক্ৰমাৰ সংযুক্ত মন্ত্ৰী